# 2019

## ASSAMESE

## ( Major )

Paper : 3.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) অসমীয়া ভাষাটো ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কোনটো শাখাৰ অন্তৰ্গত?

(খ) ইংৰাজী ভাষা কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত?

(গ) মাগধী প্ৰাকৃতৰ কোনটো শাখাৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ হোৱা বুলি ঠাৱৰ কৰা হৈছে?

(ঘ) কোনে পোনপ্ৰথমে কামৰূপী প্ৰাকৃতৰ বিষয়ে আলোচনা কৰিছিল?

(ঙ) এটা মৃত ভাষাৰ নাম লিখা।

(চ) কেন্তম্ আৰু সতম্ শব্দই কি বুজায়?

(ছ) ভাৰতবৰ্ষত কেইটা আৰ্য-ভিন্ন ভাষা পৰিয়াল আছে ?

(জ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা এটি অৰ্দ্ধ-তৎসম শব্দ উল্লেখ কৰা।

(ঝ) কামৰূপী উপভাষাত শব্দৰ কোন অক্ষৰত শ্বাসাঘাত পৰে ?

(ঞ) *A Study on Kamrupi, A Dialect of Assamese* গ্ৰন্থখন কাৰ ৰচনা ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অষ্ট্ৰিক ভাষা-গোষ্ঠীক কি কি দুটা ভাগত ভাগ কৰা হয় ?

(খ) নাগামিজ মানে কি ? এটা নাগামিজ শব্দৰ উদাহৰণ দিয়া।

(গ) অপভ্ৰংশৰ যি কোনো দুটা আঞ্চলিক ৰূপৰ নাম লিখা।

(ঘ) কামৰূপী উপভাষাৰ দুটা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) নৃগোষ্ঠীয় ভাষা কাক বোলে ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাষা-পৰিয়াল নিৰ্ণয়ৰ ক্ষেত্ৰত প্ৰধানকৈ কি কি বিষয়ৰ ওপৰত গুৰুত্ব দিয়া হয়—চমুকৈ আলোচনা কৰা।

(খ) কেন্তম্ শাখাৰ অন্তৰ্গত যি কোনো দুটা ভাষাৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

(গ) মধ্য ভাৰতীয় আৰ্যভাষাৰ উপস্তৰকেইটা কি কি? কোনটো উপস্তৰক সাহিত্যিক প্ৰাকৃতৰ স্তৰ নামেৰে জনা যায়? সাহিত্যিক প্ৰাকৃতকেইটিৰ নাম উল্লেখ কৰা।

(ঘ) অসমীয়া ভাষাত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে এটি টোকা লিখা।

(ঙ) কামৰূপী প্ৰাকৃত মানে কি? কামৰূপী প্ৰাকৃতৰ চমু পৰিচয় দাঙি ধৰা।

(চ) অসমীয়া ভাষাৰ শব্দ সম্ভাৰত বিদেশী ভাষাৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ ভাষা-তাত্ত্বিক বৈশিষ্ট্যবোৰ ফঁহিয়াই দেখুওৱা। ১০

*অথবা*

(খ) ইণ্ডো-ইউৰোপীয় ভাষাৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

৫। (ক) ভাৰতীয় আৰ্য ভাষাৰ বিকাশৰ স্তৰকেইটা দেখুৱাই প্ৰতিটো স্তৰৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) প্ৰাকৃত-অপভ্ৰংশৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক সম্বন্ধে আলোচনা কৰা। ১০

৬। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতসমূহ উল্লেখ কৰি অধিক গ্ৰহণীয় বুলি ভবা মতটো সম্পৰ্কে বহলাই লিখা।

৫+৫=১০

অথবা

(খ) বিভিন্ন আৰ্য-ভিন্ন ভাষাসমূহৰ মাজত অসমীয়া ভাষাটোৰ অৱস্থিতিক এটা দ্বীপৰ লগত তুলনা কৰিব পাৰিনে, আলোচনা কৰা।

১০

৭। (ক) অসমীয়া ভাষাৰ প্ৰধান উপভাষা কেইটা আৰু কি কি? মান্য অসমীয়াৰ লগত গোৱালপৰীয়া উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

৩+৭=১০

অথবা

(খ) অসমীয়া ভাষাৰ আৰ্যমূলীয় শব্দবোৰক কি কি তিনিটা ভাগত ভগোৱা হয়? প্ৰতিটি ভাগৰ বিষয়ে উদাহৰণসহ বৰ্ণনা কৰা।

৩+৭=১০

★★★